**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-08 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিমোৰ লেষ্ট ভ্ৰমণৰ অন্তত কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত সম্প্ৰচাৰ হ'বলগীয়া আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে।

৩। ৰাজস্থানৰ বিভিন্ন অংশত যোৱা শনিবাৰৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কমেও ২২ জন লোকৰ মৃত্যু হৈছে।

**আৰু**

৪। ষ্টেড দি ফ্ৰান্সত কালি নিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ অলিম্পিক ২০২৪ৰ অন্ত পৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকত ভাৰতীয় এথলিটসকলৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিমোৰ লেষ্ট ভ্ৰমণৰ অন্তত কালি বিয়লি নতুন দিল্লীত উপস্থিত হয়। এই ভ্ৰমণৰ সময়ছোৱাত দ্বিপাক্ষিক সম্পৰ্ক সবল কৰাৰ উপৰি বিভিন্ন গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত বুজাবুজিৰ চুক্তি আৰু দ্বিপাক্ষীক চুক্তি স্বাক্ষৰিত হয়। ৰাষ্ট্ৰপতিৰ ভ্ৰমণকালত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ বাণিজ্যিক সুচলতা বৃদ্ধি কৰাৰ উদ্দেশ্যে দেশ দুখনৰ মাজত দ্বিপাক্ষিক শুল্ক সহযোগিতা ব্যৱস্থাপনা চুক্তি স্বাক্ষৰিত হয়। দুয়োখন দেশে জামনগৰত থকা পৰম্পৰাগত ঔষধৰ গোলকীয় কেন্দ্ৰৰ জৰিয়তে পৰম্পৰাগ ঔষধ সন্দৰ্ভত উৎকৃষ্ট কৌশল বিনিময় কৰাৰ বাবে সন্মতি প্ৰকাশ কৰিছে। আনহাতে টিমোৰ লেষ্টত প্ৰচাৰ ভাৰতী আৰু টিমোৰেজ ৰাজহুৱা সম্প্ৰচাৰ সংস্থা ৰেডিঅ' টেলিভিজাউন টিমোৰ লেষ্ট-আৰ টি টি এলৰ মাজত সহযোগিতাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তদুপৰি বিষয়া তথা কুটনৈতিক পাৰ পত্ৰ থকা সকলৰ বাবে ভিছাৰ সুচলতা আৰু সাংস্কৃতিক বিনিময়ৰ কাৰ্যসমূহৰ ক্ষেত্ৰত সহযোগিতাৰ বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়।

ফিজিত দুয়ো দেশৰ মাজত এশখন বিছনাযুক্ত ছুপাৰ স্পেচিয়েলিটি হৃদৰোগ বিভাগৰ চিকিৎসালয়ৰ বাবে ভূমি আৱণ্টনৰ নথি পত্ৰ আনুষ্ঠানিকভাৱে হস্তান্তৰ কাৰ্যসূচীও সম্পন্ন হয়। এই ভ্ৰমণৰ সময়ছোৱাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কম্পেনীয়ন অৱ দা অৰ্ডাৰ অৱ ফিজি আৰু গ্ৰেণ্ড কলাৰ অৱ দা অৰ্ডাৰ অৱ টিমোৰ লেষ্ট সন্মান আগবঢ়োৱা হয়। ৰাষ্ট্ৰপতিগৰাকীৰ এই তিনি ৰাষ্ট্ৰ ভ্ৰমণে দেশকেইখনৰ সৈতে ভাৰতৰ গভীৰ ঐতিহাসিক মিত্ৰতা সবল কৰি তোলাৰ লগতে এই মিত্ৰতাক নতুন ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে হায়দৰাবাদত কালি তিৰংগা ৰেলী মুকলি কৰে। শ্ৰী ৰেড্ডীয়ে সংবাদ মাধ্যমৰ আগত স্বাধীনতা দিৱস উদযাপনৰ আৰম্ভণিৰ ঘোষণা কৰে। তেওঁ কয় যে, বিগত ৩ বছৰ ধৰি কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে স্বাধীনতা দিৱস পালন কৰি অহা হৈছে। তেওঁ জনসাধাৰণক, বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু স্বেচ্ছাসেৱী সংস্থাসমূহক দেশৰ ঐক্য তথা জাতীয় একতাক সুৰক্ষা দিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অধীনত প্ৰতি ঘৰতে জাতীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনোৱাৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে যোৱাবাৰ প্ৰায় ২৩ কোটি ভাৰতীয়ই নিজৰ নিজৰ ঘৰত জাতীয় পতাকা উত্তোলন কৰে। ত্ৰিৰংগ যাত্ৰাকে ধৰি এই উৎসৱ অহা ১৫ আগষ্টলৈকে অব্যাহত থাকিব।

০০০০০

দেশৰ ১৭০খন চহৰত ২০২৪ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পৰীক্ষা NEET PG কালি সফলতাৰে অনুষ্ঠিত হৈ যায়। চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পৰীক্ষা ব'ৰ্ডে জনোৱা মতে, এইবাৰ প্ৰায় ২ লাখ ২৮ হাজাৰ ৫৪০ খন এডমিট কাৰ্ড পৰীক্ষাৰ্থীসকলক প্ৰদান কৰা হৈছে। পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে কেন্দ্ৰসমূহত ১,৯৫০ জনতকৈ অধিক স্বতন্ত্ৰ মূল্যায়ক আৰু ৩০০ ফ্লায়িং স্কোৱাডৰ সদস্যক নিযুক্তি দিয়া হৈছিল।

পৰীক্ষাৰ সন্দৰ্ভত যাতে কোনো ধৰণৰ ভুল তথ্য বিয়পি নপৰে তাৰবাবে চিকিৎসা বিজ্ঞানৰ ৰাষ্ট্ৰীয় পৰীক্ষা ব'ৰ্ডে সামাজিক মাধ্যম সমূহ সূক্ষ্মভাবে নিৰীক্ষণ কৰিছিল। তেওলোকে উল্লেখ কৰা অনুসৰি পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবৰ বাবে বিভিন্ন সংস্থাৰ মাজত ঘনিষ্ঠ সমন্বয়ৰ লগতে নিৰাপত্তা বিষয়টোক লৈ অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল।

০০০০০

ৰাজস্থানৰ বিভিন্ন অংশত যোৱা শনিবাৰৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত কমেও ২২ জন লোকৰ মৃত্যু হৈছে। প্ৰবল বৰষুণৰ ফলত কালি ৰাজ্যখনৰ জয়পুৰ, কাৰৌলী, ছাৱাই মধুপুৰ আৰু দৌছাৰ বাটপথসমূহ পানীত বুৰ যায়। কৰ্তৃপক্ষই এই অঞ্চলকেইটাৰ লগতে গংগাপুৰ আৰু ভাৰতপুৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত বিদ্যালয়সমূহ আজি বন্ধ ঘোষণা কৰিছে। ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই জয়পুৰত জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন মিলিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁ বিষয়াসকলক বৰষুণৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহত সাহায্য কাৰ্যসূচী তীব্ৰতৰ কৰি তোলাৰ লগতে অনাগত দিনকেইটাত

বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি যাৱতীয় ব্যৱস্থা ল'বলৈ আহ্বান জনায়। বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ ৭ খন জিলাত আজি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি সতৰ্কতা জাৰি কৰিছে।

০০০০০

ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া, চমুকৈ ছেবিয়ে বিনিয়োগকাৰীসকলক হিণ্ডেনবাৰ্গৰ প্ৰতিবেদন বিশ্বাসত লোৱাৰ পূৰ্বে বিষয়টোৰ সন্দৰ্ভত অধিক অধ্যয়নৰ পৰামৰ্শ আগবঢ়াইছে। এটা বিবৃতিত ছেবিয়ে বিনিয়োগকাৰী সকলক হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনৰ আঁৰত থকা প্ৰকৃত স্বাৰ্থ সঠিকভাবে অধ্যয়নৰ বাবে আহ্বান জনায়। ভাৰতৰ শ্বেয়াৰ বজাৰ নিয়ন্ত্ৰণকাৰী সংস্থাটোৱে হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনৰ অভিযোগ খণ্ডন কৰি কয় যে স্বাৰ্থৰ সংঘাতৰ সৈতে জড়িত সমস্যাসমূহ সমাধানৰ বাবে তেওঁলোকৰ হাতত পৰ্যাপ্ত অভ্যন্তৰীণ ব্যৱস্থা আছে। ছেবিয়ে লগতে উল্লেখ কৰে যে পূৰ্বে হিণ্ডেনবাৰ্গৰ প্ৰতিবেদনে আদানী গ্ৰুপৰ বিৰুদ্ধে অনা অভিযোগ সমূহৰ যথাযথ তদন্ত কৰিছে। ছেবিয়ে লগতে কয় যে ভাৰতৰ মূলধনী বজাৰৰ অখণ্ডতা আৰু ইয়াৰ শৃংখলাবদ্ধ উন্নয়ন আৰু বিকাশ নিশ্চিত কৰাৰ বাবে তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ ।

ইফালে, এছ'চিয়েশ্যন অৱ মিউচুৱেল ফাণ্ডছ ইন ইণ্ডিয়া চমুকৈ এ এম এফ আয়ে ছেবিৰ অধ্যক্ষ মাধবী পুৰি বুশ্ব আৰু তেওঁৰ স্বামী ধভাল বুশ্বৰ বিৰুদ্ধে হিণ্ডেনবাৰ্গে অনা অভিযোগ খণ্ডন কৰিছে। এ এম এফ আইয়ে এটা বিবৃতিত কয় যে ভাৰতীয় বজাৰৰ পৰিৱেশ তন্ত্ৰ অস্থিৰ কৰি ঘাটি সৃষ্টি কৰাৰ লগতে বিশ্বৰ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতিৰ পথত অপ্ৰয়োজনীয় বাধাৰ সৃষ্টি কৰিবলৈ হিণ্ডেনবাৰ্গে অপচেষ্টা চলাইছে।

০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ উপায়** সন্দৰ্ভত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য কৃষ্ণ এছ্ বৎস আৰু নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠানৰ জে পি এন এ ট্ৰ'মা চেণ্টাৰৰ মুৰববী ড০ কামৰান ফাৰুকৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি দুৰ্যোগৰ সময়ত নিৰাপদে থকাৰ বিভিন্ন উপায় সম্পৰ্কে বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

ষ্টেড দি ফ্ৰান্সত কালি নিশা বৰ্ণাঢ্য কাৰ্যসূচীৰে পেৰিছ অলিম্পিক ২০২৪ৰ অন্ত পৰে। ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ৬টা পদক লাভ কৰি ৭১ সংখ্যক স্থানত থাকে। ইয়াৰ পূৰ্বে ২০২০ৰ টকিঅ' অলিম্পিকত ভাৰত এটা সোণ, দুটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ৭টা পদকেৰে ৪৮সংখ্যক স্থানত আছিল।

পেৰিছ অলিম্পিকৰ কালি শেষৰ দিনা নেডাৰলেণ্ডছৰ ছিফান হাছানে মহিলাৰ মাৰাথনত সোণৰ পদক অৰ্জন কৰে। ৩১ বছৰীয়া এথলিটগৰাকীয়ে ইয়াৰ দুদিন পূৰ্বে ১০ হাজাৰ মিটাৰত আৰু ছদিন পূৰ্বে ৫ হাজাৰ মিটাৰ দৌৰত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল।

এইবাৰৰ অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই ৪০টা সোণৰ পদকসহ মুঠ ১২৬টা পদকেৰে প্ৰথম স্থানত থাকে। আনহাতে চীনে ৪০টা সোণৰ পদকসহ মুঠ ৯১টা পদকেৰে দ্বিতীয় স্থানত থকাৰ বিপৰীতে জাপানে ২০টা সোণসহ মুঠ ৪৫টা পদকেৰে তৃতীয় আৰু অষ্ট্ৰেলিয়াই ১৮টা সোণসহ মুঠ ৫৩টা পদকেৰে চতুৰ্থ স্থান দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ অলিম্পিকত ভাৰতীয় এথলিটসকলৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰিছে। তেওঁ কয় যে, সকলো এথলিটে উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়ালে আৰু তেওঁলোকক লৈ প্ৰতিগৰাকী ভাৰতীয় গৌৰৱান্বিত। সামাজিক মাধ্যম এক্সৰ এটা পʼষ্টত শ্ৰীমোদীয়ে উল্লেখ কৰে যে, পেৰিছ অলিম্পিকৰ সামৰণিৰ লগে লগে তেওঁ ইয়াত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈকে ধৰি আন সদস্যসকলৰ প্ৰচেষ্টাৰ প্ৰশংসা কৰে। তেওঁ লগতে খেলুৱৈসকলক অনাগত খেলসমূহৰ বাবেও শুভেচ্ছা জনায়। উল্লেখযোগ্য যে এইবাৰৰ অলিম্পিকত ভাৰতৰ মুঠ ১১৭ গৰাকী এথলিটে ১৬ বিধ বিভিন্ন ক্ৰীড়াত অংশগ্ৰহণ কৰিছিল।

০০০০০

সমাপ্ত